NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। কেন্দ্ৰীয় চৰকাৰে আজি প্ৰধানমন্ত্ৰী সূৰ্য্যঘৰ বিনামূলীয়া বিজুলী আঁচনিৰ অন্তৰ্গত আদৰ্শ সৌৰ গাঁৱৰ ৰূপায়ণৰ বাবে কাৰ্য্যকৰী নিৰ্দেশনা জাৰী কৰিছে।

২। সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে আজি দেশজুৰি নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচাযুক্ত দ্ৰব্য সেৱনৰ বিৰুদ্ধে সমূহীয়া সংকল্প গ্ৰহণ কাৰ্য্যসূচীৰ আয়োজন কৰে।

৩। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে আজি কাঠমাণ্ডুত নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰ্জু ৰাণা দেওবাক সাক্ষাৎ কৰে।

৪। মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰ গাথা সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে অসম চৰকাৰে এখন তথ্য চিত্ৰ নিৰ্মাণৰ বাবে আজি প্ৰসাৰ ভাৰতীৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

***আৰু***

৫। সদ্য সমাপ্ত পেৰিছ অলিম্পিকত প্ৰতিদ্বন্দ্বিতা কৰি উভতি অহা অসমৰ বক্সাৰ লাভলীনা বৰগোহাঁইক আজি অসম আৰক্ষীয়ে আদৰণি জনায়।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে আজি প্ৰধানমন্ত্ৰী সূৰ্য্যঘৰ বিনামূলীয়া বিজুলী আঁচনিৰ অন্তৰ্গত আদৰ্শ সৌৰ গাঁৱৰ ৰূপায়ণৰ বাবে কাৰ্য্যকৰী নিৰ্দেশনা জাৰী কৰিছে। নব্য আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে আজি এটা বিবৃতিযোগে কৈছে যে, এই আঁচনিৰ অধীনত দেশজুৰি প্ৰতিখন জিলাতে এখনকৈ আদৰ্শ সৌৰ গাঁও গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত মুঠ ৮০০ কোটি টকাৰ ব্যয় ধাৰ্য্য কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বিবৃতিটোত প্ৰকাশ কৰা অনুসৰি, এই আঁচনিৰ অন্তৰ্ভুক্ত হ'বলৈ এখন গাঁও ৫ হাজাৰতকৈ অধিক জনসংখ্যাৰ ৰাজহ গাঁও অথবা বিশেষ শ্ৰেণীৰ ৰাজ্যৰ ক্ষেত্ৰত দুহেজাৰতকৈ অধিক জনসংখ্যাৰ ৰাজহ গাঁও

হ'ব লাগিব। মন্ত্ৰালয়ে কৈছে যে প্ৰতিখন জিলাৰ সৰ্বাধিক নবীকৰণযোগ্য শক্তি ক্ষমতা থকা বিজয়ী গাঁৱক ১ কোটি টকাৰ কেন্দ্ৰীয় আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

০০০০০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে আজি দেশজুৰি নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচাযুক্ত দ্ৰব্য সেৱনৰ বিৰুদ্ধে সমূহীয়া সংকল্প গ্ৰহণ কাৰ্য্যসূচীৰ আয়োজন কৰে। এই উপলক্ষে নতুন দিল্লীত আয়োজিত অনষ্ঠানত কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে উপস্থিত সকলোকে সংকল্প গ্ৰহণ কৰায়। উল্লেখযোগ্য যে, অভিযানৰ এই বৰ্ষৰ বিষয়বস্তু হৈছে **বিকশিত ভাৰতৰ মন্ত্ৰ, ভাৰত হওক নিচাৰ পৰা মুক্ত**। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়ালৈকে ১১ কোটিৰো অধিক ব্যক্তিয়ে নিচামুক্ত ভাৰত অভিযানত অংশগ্ৰহণ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ চৰকাৰ, কেন্দ্ৰীয় মন্ত্ৰালয়সমূহ, বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থী আৰু শিক্ষক-কৰ্মচাৰী, এন চি চি, নেহৰু যুৱ কেন্দ্ৰ সংগঠন আৰু অন্যান্য ৰাজহুৱা প্ৰতিষ্ঠানৰ প্ৰায় ১ কোটিৰো অধিক লোকে আজি সমূহীয়া সংকল্প গ্ৰহণৰ এই অনলাইন অনুষ্ঠানত অংশগ্ৰহণ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে ২০২০ চনৰ ১৫ আগষ্টত নিচামুক্ত ভাৰত অভিযান মুকলি কৰিছিল আৰু যোৱা বছৰ আগষ্ট মাহৰে পৰা দেশৰ সকলো জিলাতে এই অভিযান ৰূপায়িত হৈ আহিছে।

০০০০০০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে আজি কাঠমাণ্ডুত নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰ্জু ৰাণা দেওবাক সাক্ষাৎ কৰে। তেওঁলোকে দুয়োখন দেশৰ পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক বিষয়সমূহ আলোচনা কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত ভাৰত-নেপাল দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি কৰাৰ উপায়সমূহৰ বিষয়েও চিন্তা-চৰ্চা কৰে। শ্ৰীমিশ্ৰীয়ে নেপালৰ বিদেশ সচিব ছেৱা লামছালকো সাক্ষাৎ কৰি ভাৰত-নেপাল সহযোগিতাৰ সুস্থিৰ বিকাশক আগুৱাই লৈ যোৱাৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে, ভাৰত আৰু নেপালে সভ্যতা আৰু সংস্কৃতিৰ দিশত বহু পুৰণি সংযোগ বহন কৰি আহিছে। দুয়ো দেশৰ মাজত থকা দ্বিপাক্ষিক সহযোগিতা বিগত কেইটামান বছৰত বহুগুণে বৃদ্ধি পাইছে আৰু ভাৰত চৰকাৰৰ সহযোগত নেপালত আন্তঃগাঁথনি আৰু যোগাযোগৰ ক্ষেত্ৰত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰকল্প সম্পন্ন হৈছে। ভাৰতীয় বিদেশ সচিবগৰাকীৰ নেপাল ভ্ৰমণে এই দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০০০০

মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰ গাথা সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে অসম চৰকাৰে এখন তথ্য চিত্ৰ নিৰ্মাণৰ বাবে আজি প্ৰসাৰ ভাৰতীৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই বিশেষ তথ্য চিত্ৰখনত ৫২ টা খণ্ড থাকিব। এই উপলক্ষে আজি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে তথ্যচিত্ৰখনৰ জৰিয়তে মহাবীৰগৰাকীৰ বীৰত্বৰ কাহিনী দেশৰ চুকে-কোণে প্ৰচাৰ কৰি উঠি অহা প্ৰজন্মক লাচিত বৰফুকনৰ সাহস আৰু পৰাক্ৰমৰ দ্বাৰা উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই তথ্যচিত্ৰখন দূৰদৰ্শন আৰু ইয়াৰ অ' টি টি চেনেলসমূহৰ জৰিয়তে সম্প্ৰচাৰ কৰা হ'ব।

তথ্যচিত্ৰখন নিৰ্মাণত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ১০ কোটিকৈ মুঠ ২০ কোটি টকা ব্যয় কৰিব। আজিৰ অনুষ্ঠানত দূৰদৰ্শনৰ উপ-সঞ্চালকপ্ৰধান অমিত কুমাৰ আৰু ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক মীনাক্ষি দাস নাথৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত দূৰদৰ্শনৰ সঞ্চালকপ্ৰধান কাঞ্চন প্ৰসাদো উপস্থিত থাকে।

000000000

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু মালদ্বীপৰ বিদেশ মন্ত্ৰী মুছা জমীৰে ২০২৪ৰ পৰা ২০২৯ৰ সময়ছোৱাত মালদ্বীপত এহেজাৰ গৰাকী অসামৰিক সেৱা বিষয়াৰ সামৰ্থ্য বিকাশৰ বাবে কৰা বুজাবুজিৰ চুক্তিৰ নবীকৰণ কৰিছে। মালদ্বীপৰ ৰাজধানী মালেত যোৱা ৯ আগষ্টত এই বুজাবুজিৰ চুক্তিৰ নবীকৰণ সম্পন্ন হয়। এই নবীকৃত অংশীদাৰিত্বই মালদ্বীপৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ ৰাজহুৱা নীতি, সুশাসন আৰু ক্ষেত্ৰ ভিত্তিক প্ৰশাসনৰ দিশসমূহৰ ক্ষেত্ৰত সামৰ্থ্যৰ বিকাশ ঘটাব। ইয়াৰ লগতে এই অংশীদাৰিত্বই দুয়োখন দেশৰ মাজত থকা বান্ধোনক অধিক দৃঢ় কৰি তুলিব।

000000000

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভা চৌহদত কেইবাটাও কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে বিধানসভা চৌহদত কুইন্‌ছ ল'ন, বিধানসভাৰ লাইভ ষ্টুডিঅ', নেভা সেৱা কেন্দ্ৰ, মূল সভাকক্ষ আৰু নেচনেল ই-বিধান এপ্লিকেচনো মুকলি কৰে। উল্লেখযোগ্য যে, বিধানসভাৰ কাম-কাজ ডিজিটেল আৰু কাগজবিহীন কৰি তোলাৰ উদ্দেশ্যে ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত এই এপ মুকলি কৰা হৈছে। আনহাতে, নেশ্যনেল ই-বিধান এপ্লিকেচন নেভাৰ সহায়ত সমগ্ৰ সদনৰ কাম-কাজ সুন্দৰভাৱে পৰিচালনা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ সহায়ত দেশৰ সকলো বিধি-বিধান একে সময়তে আৰু একেখন মঞ্চত লাভ কৰাটো সুচল হৈ উঠিব। আনহাতে, ইয়াৰ দ্বাৰা তথ্য সংগ্ৰহৰ বাবে জাননী প্ৰেৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে নোহোৱা হ'ব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিন, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, কেন্দ্ৰীয় চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ডং সত্য প্ৰকাশৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী তথা বিধায়কসকল উপস্থিত থাকে।

000000000

সদ্য সমাপ্ত পেৰিছ অলিম্পিকত প্ৰতিদ্বন্দ্বিতা কৰি উভতি অহা অসমৰ বক্সাৰ লাভলীনা বৰগোহাঁইক আজি অসম আৰক্ষীয়ে আদৰণি জনায়। আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে এই বিষয়ে প্ৰকাশ কৰি ভৱিষ্যতে খেলুৱৈগৰাকীৰ সাফল্য কামনা কৰে। উল্লেখযোগ্য যে, টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰা লাভলীনা এইবাৰৰ পেৰিছ অলিম্পিকৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত চীনৰ প্ৰতিদ্বন্দ্বী লী কিয়ানৰ হাতত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈছিল।

000000000

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ৯ বজাত **দুৰ্যোগৰ সময়ত নিৰাপদে থকাৰ উপায়** সন্দৰ্ভত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সদস্য কৃষ্ণ এছ

বৎস আৰু নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠানৰ জে পি এন এ ট্ৰ'মা চেণ্টাৰৰ মুৰব্বী ড০ কামৰান ফাৰুকৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি দুৰ্যোগৰ সময়ত নিৰাপদে থকাৰ বিভিন্ন উপায় সম্পৰ্কে বিশেষজ্ঞ দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পশ্চিম মধ্য প্ৰদেশ আৰু ৰায়ালাচিমাৰ বিভিন্ন অঞ্চলত আজি ধাৰাষাৰ বৰষুণৰ সম্ভাৱনাৰ কথা প্ৰকাশ কৰিছে। ইয়াৰ লগতে বিভাগটোৱে তামিলনাডু, পুডুচেৰী, কৰাইকাল, কেৰালা, মাহে, অৰুণাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু পূব ৰাজস্থানৰ কোনো কোনো অঞ্চলত অহা ৩ দিনলৈ ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি, এই সপ্তাহটোত পশ্চিম হিমালয় অঞ্চল, পূব আৰু উত্তৰ পূব ভাৰতত পাতলীয়াৰ পৰা মজলীয়া বৃষ্টিপাতৰ সম্ভাৱনা আছে।

০০০০০০০০০

**সমাপ্ত**